ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# কৰাৰোপণ বিধিসমূহ (সংশোধন আৰু বিবিধ উপবন্ধসমূহ) অধিনিয়ম, ১৯৬৫

(১৯৬৫ ৰ ৪১ নং অধিনিয়ম)

[১ জুন, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Taxation Laws (Amendment and Miscellaneous Provisions) Act, 1965

(Act No. 41 of 1965)

[As on the 1st June, 1990]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

১ জুন, ১৯৯০ তাৰিখে যথা বিদ্যমান কৰাৰোপণ বিধিসমূহ (সংশোধন আৰু বিবিধ উপবন্ধ সমূহ) অধিনিয়ম, ১৯৬৫ (১৯৬৫ৰ ৪১ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ—৬, অনুভাগ—১, নং ১, খণ্ড ১ৰ পৃষ্ঠা ৮৭ৰ পৰা ৮৮ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হব।

# PREFACE

This edition of the Taxation Laws (Amendment and Miscellaneous Provisions) Act, 1965 (41 of 1965) as on the 1st June, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 1 dated 7th September, 1990 on pages 87 to 88.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi
Date 25-10-90.

V. S. RAMA DEVI,
Secretary to the Govt. of India.

কৰাৰোপণ বিধিসমূহ (সংশোধন আৰু বিবিধ উপবন্ধসমূহ)

অধিনিয়ম, ১৯৬৫ ।

ধাৰাসমূহৰ ক্ৰম

ধাৰাসমূহ—

১। সংক্ষিপ্ত নাম ।

৮। ১৯৮০ চনৰ জাতীয় প্ৰতিৰক্ষা স্বৰ্ণ দলিলত নিয়োজিত অপ্ৰকাশিত আয় ক্ষেত্ৰবিশেষে আয় কৰৰ পৰা ৰেহাই ।

৯। নিৰসন আৰু ব্যাবৃত্তি ।

# কৰাৰোপণ বিধিসমূহ (সংশোধন আৰু বিবিধ উপবন্ধসমূহ) অধিনিয়ম, ১৯৬৫

১৯৬৫ চনৰ ৪১ নং

(১ জুন, ১৯৯০ তাৰিখে যথা বিদ্যমান)

[৪ ডিচেম্বৰ, ১৯৬৫]

আয়কৰ অধিনিয়ম, ১৯৬১, সম্পত্তি শুল্ক অধিনিয়ম, ১৯৬৫, সম্পদকৰ অধিনিয়ম, ১৯৫৭, দানকৰ অধিনিয়ম, ১৯৫৮ পুনৰ সংশোধন-কল্পে আৰু ১৯৮০ চনৰ জাতীয় প্ৰতিৰক্ষা স্বৰ্ণ দলিলত নিয়োজিত অপ্ৰকাশিত আয় ক্ষেত্ৰবিশেষে আয়কৰৰ পৰা ৰেহাই দিয়াৰ ব্যৱস্থাকল্পে এখনি অধিনিয়ম।

ভাৰত গণৰাজ্যৰ ষোড়শ বছৰত সংসদৰ দ্বাৰা নিম্নোক্ত ধৰণে অধিনিয়মিত কৰা হ'ল :—

সংক্ষিপ্ত নাম

১। এই অধিনিয়মখন কৰাৰোপণ বিধিসমূহ (সংশোধন আৰু বিবিধ উপবন্ধ সমূহ) অধিনিয়ম, ১৯৬৫ নামে অভিহিত হব।

[ধাৰা ২ৰ পৰা ৭ লৈ ১৯৭৪ চনৰ ৫৬ নং অধিনিয়মৰ দ্বাৰা নিৰসিত]

১৯৮০ চনৰ জাতীয় প্ৰতিৰক্ষা স্বৰ্ণ দলিলত নিয়োজিত অপ্ৰকাশিত আয় ক্ষেত্ৰবিশেষে আয় কৰৰ পৰা ৰেহাই।

৮। (১) যি ক্ষেত্ৰত কোনো ব্যক্তিৰ ১৯২২ চনৰ ভাৰতীয় আয়কৰ অধিনিয়ম অথবা ১৯৬১ চনৰ আয়কৰ অধিনিয়ম, অথবা ১৯৪০ চনৰ অতিৰিক্ত মুনাফা অধিনিয়ম, অথবা ১৯৪৭ চনৰ ব্যৱসায় লাভকৰ অধিনিয়ম, অথবা ১৯৬৩ চনৰ অতিলাভকৰ অধিনিয়ম, অথবা ১৯৬৪ চনৰ কোম্পানী (মুনাফা) ওপৰঞ্চি কৰ অধিনিয়মৰ সন্দৰ্ভত আয় প্ৰকাশ নকৰি সেই আয়ৰ যোগেদি কোনো স্বৰ্ণ অৰ্জন কৰিছে, তেনে আয় আয়কৰ অধিকাৰীৰ দৃষ্টিগোচৰ হোৱাৰ অথবা সাময়িক ভাৱে বলবৎ থকা যি কোনো বিধি অধীনে অভিগৃহীত হোৱাৰ পূৰ্বেই যদি কোনো স্বৰ্ণ ১৯৮০ চনৰ জাতীয় প্ৰতিৰক্ষা স্বৰ্ণ দলিলৰ বৰঙণি স্বৰূপে আগবঢ়ায়, সেই অধিনিয়ম সমূহৰ বিধান অনুসৰি কোনো নিৰ্দ্ধাৰণ বৰ্ষৰ বাবে ১৯৬৫ চনৰ ২০ অক্টোবৰ তাৰিখে অথবা তদন্তৰ কৃত কোনো নিৰ্দ্ধাৰণৰ অথবা পুনৰ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত তেনে আয় উক্ত অধিনিয়মসমূহত থকা যি কোনো ব্যৱস্থা সত্ত্বেও উক্ত অধিনিয়মসমূহৰ বিধান অনুসৰি তেনে ব্যক্তিৰ কৰ আৰোপযোগ্য আয়, মুনাফা অথবা আয়ৰ অন্তৰ্ভুক্ত কৰা নহব।

১৯২২ চনৰ ১১।
১৯৬১ চনৰ ৪৩ নং।
১৯৪০ চনৰ ১৫ নং।
১৯৪৭ চনৰ ২১ নং।
১৯৬৩ চনৰ ১৪ নং
১৯৬৪ চনৰ ৭ নং।

(২) ১৯৫৭ চনৰ সম্পদ কৰ অধিনিয়মৰ অধীনে কোনো ব্যক্তিৰ শুদ্ধ সম্পদৰ লেখ কৰোতে তেওঁৰ সম্পদৰাজিৰ মূল্যৰ প্ৰতিৰূপ পৰিসম্পত্তি আয়, যি আয় (১) উপধাৰা অনুসৰি তেওঁৰ আয়, মুনাফা অথবা উপাৰ্জনত ভুক্তিৰ অযোগ্য, উক্ত কোনো অধিনিয়মত থকা ব্যৱস্থা সত্ত্বেও সেই অধিনিয়ম অধীনে কোনো নিৰ্দ্ধাৰণ বৰ্ষৰ বাবে ১৯৬৫ চনৰ ২০ অক্টোবৰ তাৰিখে অথবা তদন্তৰ কৃত কোনো নিৰ্দ্ধাৰণৰ অথবা পুনৰ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত গণনাত লোৱা নহব।

১৯৫৭ চনৰ ২৭ নং।

(৩) (ক) ১৯৮০ চনৰ জাতীয় প্ৰতিৰক্ষা স্বৰ্ণ দলিলৰ গ্ৰহণকাৰী ব্যক্তিৰ নাম আৰু তেওঁ গ্ৰহণ কৰা দলিল সংক্ৰান্ত যি কোনো বিৱৰণ গোপনীয় বুলি গণ্য কৰা হব, আৰু, সাময়িক ভাৱে বলবৎ থকা যি কোনো অধিনিয়মৰ ব্যৱস্থা সত্ত্বেও কোনো লোকসেৱকক এনে কোনো ব্যক্তিৰ নাম অথবা এনে কোনো বিৱৰণ প্ৰকাশ কৰিবলৈ অথবা এই সংক্ৰান্তত কোনো সাক্ষ্য দিবলৈ নিৰ্দেশ দিবলৈ কোনো ন্যায়ালয়ৰ ক্ষমতা নাথাকিব।

(খ) কোনো লোকসেৱকে ১৯৮০ চনৰ জাতীয় প্ৰতিৰক্ষা স্বৰ্ণ দলিল গ্ৰহণকাৰী ব্যক্তিৰ নাম অথবা তেওঁ গ্ৰহণ কৰা দলিল সংক্ৰান্ত কোনো বিৱৰণ (১) উপধাৰাত উল্লিখিত অধিনিয়ম সমূহৰ অথবা ১৯৫৭ চনৰ সম্পদ কৰ অধিনিয়ম কাৰ্যনিৰ্বাহৰ অৰ্থে নিযুক্ত অধিকাৰী, অথবা নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা অথবা প্ৰত্যক্ষ কৰ সমূহৰ কেন্দ্ৰীয় পৰিষদ (১৯৬৩ চনৰ কেন্দ্ৰীয় ৰাজস্ব পৰিষদ অধিনিয়ম অনুসৰি গঠিত)ৰ দ্বাৰা আয়কৰৰ প্ৰাপ্তি ও প্ৰত্যৰ্পণৰ, হিচাব পৰীক্ষা কৰিবলৈ নিযুক্ত কৰা কোনো অধিকাৰী ব্যতিৰেকে আনৰ ওচৰত প্ৰকাশ নকৰিব। ১৯৫৭ চনৰ ২৭ নং। ১৯৬৩ চনৰ ৫৪ নং।

(৪) এই ধাৰাত,—

(ক) 'স্বৰ্ণ' বুলিলে (মিশ্ৰিত স্বৰ্ণকে) ধৰি কেচা হওক অথবা গলোৱা, পুনৰায় গলোৱা হওক, অথবা নিপিটা, যি কোনো আকাৰত অথবা যি কোনো প্ৰকাৰৰ স্বৰ্ণ বুজাব আৰু যি কোনো স্বৰ্ণ মুদ্ৰা (বিধিগ্ৰাহ্য হওকেই বা নহওকেই) যি কোনো অলংকাৰ ও অন্যান্য স্বৰ্ণ সম্ভাৰকো অন্তৰ্ভুক্ত কৰিব;

(খ) "লোকসেৱক" বুলিলে ভাৰতৰ ৰিজাৰ্ভ বেংক, ভাৰতৰ ষ্টেট বেংক অথবা ভাৰতৰ ষ্টেট বেংকৰ যি কোনো উপ-অধিকোষৰ অধিকাৰী অথবা অন্যান্য কৰ্মচাৰীকো বুজাব।

নিৰসন আৰু ব্যাবৃত্তি। ৯। (১) কৰাৰোপণ বিধিসমূহ (সংশোধন আৰু বিবিধ উপবন্ধ সমূহ) অধ্যাদেশ, ১৯৬৫, ইয়াৰ দ্বাৰা নিৰসন কৰা হ'ল। ১৯৬৫ চনৰ ৩ নং।

(২) এনে নিৰসন সত্ত্বেও উক্ত অধ্যাদেশ অনুসৰি সম্পন্ন হোৱা যি কোনো কাৰ্য অথবা লোৱা যি কোনো ব্যৱস্থা, যেন অধিনিয়মৰ আৰম্ভণি ১৯৬৫ চনৰ ১৯ অক্টোবৰ তাৰিখেই হৈছে এনে বুলি ধৰি লৈ এই অধিনিয়ম অনুসৰি সম্পন্ন হোৱা কাৰ্য অথবা লোৱা ব্যৱস্থা বুলি গণ্য কৰা হব।